
# মোৰ কাব্য ভাবনাৰ এচকল

## ‘মেঘৰ বিৰুদ্ধে’ কবিতা–সংকলনৰ প্ৰেক্ষাপট

**এম. কামালুদ্দিন আহমেদ**




২০২২ চনৰ পৰা ২০২৪ চনৰ অক্টোবৰ মাহলৈ লিখা কবিতা এই সংকলনটিত সন্নিৱিষ্ট হৈছে। এই সংকলনটোত প্ৰতিফলিত হৈছে ব্যক্তিগত প্ৰেৰণা, সাহিত্যিক প্ৰভাৱ আৰু সমসাময়িক বিষয়ৰ সৈতে গভীৰ অন্তৰংগতা। এইখিনিতে কেইটামান কবিতাৰ প্ৰসংগ আৰু প্ৰেৰণা সম্পৰ্কে ক’বলৈ লৈছোঁ। ‘লিচু’ নামৰ কবিতাটিত চিত্ৰকৰ টিছানৰ প্ৰসংগ আহিছে। টিছান পঞ্চদশ শতিকাৰ ইটালিত জন্মগ্ৰহণ কৰা বিশ্ববিখ্যাত চিত্ৰকৰ। প্ৰকৃতিৰ সমানে সমানে টিছানে অকলশৰীয়াকৈ বাট বুলিছিল। ৰং, পোহৰ আৰু অভিব্যক্তিৰ সমাৰ্থক আছিল টিছান। তেওঁ চিত্ৰকলাত কবিতা ৰচিছিল। মোৰ কবিতাটোত টিছান প্ৰসংগক্ৰমেহে আহিছে। গোলকীকৰণহে কবিতাটোৰ মূল উপজীৱ্য। তেনেদৰে মিশ্বেল ফুকোৰ (১৯২৬–১৯৮৪) *History of Sexuality*-এ মোৰ কাব্যভাবনাক এটা সময়ত আচ্ছন্ন কৰি থৈছিল। সংকলনটিত সন্নিৱিষ্ট ‘পৰমানন্দ’ কবিতাটিৰ প্ৰেৰণা মিশ্বেল ফুকোৰ The Care of the Self.

আধুনিকতাবাদী কবি এগৰাকীয়ে মহানগৰীৰ মানচিত্ৰ এখনকে বুকুত সাবটি থাকে। নগৰ, মহানগৰীৰ অভিঘাত মোৰ কবিতাত সহজেই অনুধাৱন কৰিব পাৰি: ‘এই নগৰীত’, ‘ৰক্তাক্ত অস্তিত্ব’ৰ দৰে কবিতাত তেনে বিভিন্ন অনুষংগ আছে:

"শ্বপিং মলটোলৈ
তুমি সোমাই যোৱা
তাৰ পোহৰৰ চিকমিকনিত

এটা নতুন গ্ৰহৰ
আস্বাদ পোৱা।” (‘ৰক্তাক্ত অস্তিত্ব’)

পাৰিপাৰ্শ্বিকতাৰ প্ৰতি সঁহাৰিৰ চিনস্বৰূপে এই সংকলনটিত আছে ‘বিলীয়মান’, ‘শিৱসাগৰ পুখুৰী’, ‘পাতলগ্ন’ আৰু ‘গুৱাহাটী বিশ্ববিদ্যালয়’ শীৰ্ষক কবিতা।

একান্ত নিজা অনুভূতিৰ প্ৰকাশৰ ক্ষেত্ৰত কিমান মোহমুক্ত (detached) হ’ব পাৰিছোঁ তাৰ সম্পৰীক্ষা ইয়াৰ কেইবাটাও কবিতাত কৰিছোঁ। নিজৰ পৰা দূৰত্বৰ মাত্ৰা সকলো কবিতাতে সমান নহয়। ‘অৱশেষ’ ৰাজনৈতিক দুৰ্দিনৰ প্ৰেক্ষাপটত চোৱা হৈছে। সাম্প্ৰতিক সময়ছোৱাত তথ্য-প্ৰযুক্তিৰ ব্যাপক প্ৰসাৰণে আমাৰ দৈনন্দিন জীৱন আলোড়িত কৰাৰ লগতে ব্যাপকতৰ মানসিক অভিঘাত প্ৰদান কৰিছে। আমাৰ নৈসৰ্গিক পৃথিৱীও দ্বন্দ্বৰ মুখামুখি হৈছে। তেনে চিন্তা-চেতনাৰ ফলশ্ৰুতি হিচাপে ‘কল্পদৃষ্টি’, ‘গ্ৰহান্তৰ’ আদি কবিতা চাব পাৰি। আকাশৰ মেঘবোৰে সিঁচি দিয়ে নেকি ৰোমাণ্টিকতাৰ বীজ?… তথাপি আকাশলৈ নাচামনে? মোৰ কবিতা সেয়ে ‘মেঘৰ বিৰুদ্ধে’।

এইখিনি সময়ত (২০২২-২০২৪) মোৰ মনোযোগ আকৰ্ষিত হৈছিল কেইখনমান সাহিত্য সমালোচনামূলক ৰচনাৰ প্ৰতি। তাৰে এখন হ’ল অক্টাভিঅ’ পাজ(১৯১৪-১৯৯৮)ৰ ‘What Does Poetry Name?’। পাজে ইয়াত মন্তব্য আগবঢ়াইছে যে, কবিতাৰ ভাব (Object) হ’ল ভাষা আৰু কবিতাত শব্দৰ পৰা অৰ্থক নিলগাই চাব নোৱাৰি। টেৰী ঈগলটন(জ. ১৯৪৩)ৰ ‘What is Poetry’ শীৰ্ষক ৰচনাখনে মোৰ মনত মচিব নোৱৰা চিন পেলাইছে। টেৰী ঈগলটনে ডি.এইচ লৰেন্স(১৮৮৫-১৯৩০)ৰ ‘Two Women, As Far AS I’m Concerned’ কবিতাটো উদ্ধৃত কৰিছে। এই কবিতাটোত সকলো প্ৰকাৰৰ কাব্যিকতা পৰিহাৰ কৰা হৈছে। ৰিচাৰ্ড গ্ৰে’ৰ ৰচনা ‘Poetry and the Subject of the Poem: Wallace Stevens’-এ কবিতাৰ গাঁঠনিত কিদৰে শক্তিমত্তা থাকে সেয়া মোক দেখুৱাই দিছে।

এই সংকলনটিৰ প্ৰায় আটাইখিনি কবিতাৰ সৃষ্টি প্ৰক্ৰিয়াৰপৰা তাৰ চূড়ান্ত ৰূপ দিয়ালৈকে মোৰ গৱেষক-ছাত্ৰ শ্ৰীদীপজ্যোতি বৰুৱাৰ নিৰৱচ্ছিন্ন মনোযোগৰ কথা সদায়েই মনত থাকিব। কবিতা এটা লিখি উঠাৰ পিছতে পঢ়ুৱৈ হিচাপে তেওঁ তাৎক্ষণিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে আৰু মোক ভাবিবলৈ বাধ্য কৰিছে। তেওঁৰ উত্তৰোত্তৰ বৌদ্ধিক বিকাশ মই আন্তৰিকতাৰে কামনা কৰিলোঁ।